**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-07-2024 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***

**HEADLINES**

১। বিজেপি প্ৰাৰ্থী ৰামেশ্বৰ তেলী আৰু মিছ্‌ন ৰঞ্জন দাস বিনা প্ৰতিদ্বন্দ্বিতাৰে ৰাজ্যসভালৈ নিৰ্বাচিত।

২। ৰাজ্যৰ আইন-শৃংখলা পৰিস্থিতি অটুত ৰখাৰ স্বাৰ্থত সকলো থানাৰ অধীনৰ আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ পদব্ৰজে তহল।

৩। ৰাজ্য চৰকাৰৰ তৃতীয় বৰ্গৰ লিখিত পৰীক্ষা অহা ১৫ ছেপ্তেম্বৰত অনুষ্ঠিত হ’ব বুলি ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগৰ ঘোষণা।

আৰু

৪। দেশৰ ভিন্ন প্ৰান্তৰ লগতে অসমতো শ্ৰীকৃষ্ণৰ জন্মাষ্টমী পালন। জন্মাষ্টমী উপলক্ষে ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰীৰ ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন।

0000000

বিজেপি প্ৰাৰ্থী ৰামেশ্বৰ তেলী আৰু মিছ্‌ন ৰঞ্জন দাস বিনা প্ৰতিদ্বন্দ্বিতাৰে ৰাজ্যসভালৈ নিৰ্বাচিত হৈছে। আজি দুয়োগৰাকীয়ে ৰিটাৰ্নিং বিষয়াৰ পৰা জয়ী হোৱাৰ প্ৰমাণপত্ৰ গ্ৰহণ কৰে। উল্লেখযোগ্য যে বিৰোধীয়ে প্ৰাৰ্থী প্ৰক্ষেপ নকৰাত বিজেপিৰ দুয়োগৰাকী প্ৰাৰ্থীক আজি বিজয়ী ঘোষণা কৰা হয়।

0000000

জনসাধাৰণ নিৰাপত্তা সুনিশ্চিত কৰাত তথা ৰাজ্যৰ আইন শৃংখলা পৰিস্থিতি অটুত ৰখাৰ স্বাৰ্থত সকলো থানাৰ অধীনৰ আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ যৌথ তহলৰ ব্যৱস্থা কৰা হয়। ওদালগুৰি, নলবাৰী, দৰং, বাক্সা, লখিমপুৰ, দক্ষিণ শালমাৰা, মৰিগাঁও, কোকৰাঝাৰ, তিনিচুকীয়া, ডিমা হাচাও, যোৰহাট, গোলাঘাট, নগাঁও, শিৱসাগৰকে ধৰি ৰাজ্যৰ জিলাই জিলাই জনসাধাৰণক আশ্বস্ত কৰিবলৈ আৰক্ষী বিভাগে বিশেষ তহলৰ ব্যৱস্থা কৰে। জিলাসমূহৰ আয়ুক্ত, আৰক্ষী অধীক্ষক, অৰ্ধসামৰিক বাহিনী, অসম আৰক্ষীৰ কামাণ্ডো তথা অসম আৰক্ষীৰ বিষয়াসকলেও এই কাৰ্যসূচীত অংশগ্ৰহণ কৰা পৰিলক্ষিত হয়। তিনিচুকীয়া জিলাৰ আয়ুক্তগৰাকীয়ে এই কাৰ্যসূচী সন্দৰ্ভত কয় যে, জনসাধাৰণৰ সৈতে নিবিড় সম্পৰ্ক গঢ়ি তোলাৰ লগতে তেওঁলোকৰ সমস্যা সন্দৰ্ভত অৱগত হোৱাৰ উদ্দেশ্যে আৰক্ষী বিভাগৰ তৰফৰ পৰা এই পদযাত্ৰাৰ কাৰ্যসূচী হাতত লোৱা হয়। সমাজৰ সকলো বৰ্গৰ লোককে আইন শৃংখলাজনিত কোনো সমস্যাৰ সন্মুখীন হ’লে স্থানীয় আৰক্ষী অথবা নৱগঠিত চক্ৰপৰ্যায়ৰ টাস্ক ফোৰ্চক অৱগত কৰিবলৈ তেওঁ আহ্বান জনায়।

0000000

অসম বিধানসভাৰ শৰৎকালীন অধিবেশনৰ দ্বিতীয় দিনৰ কাৰ্যসূচী কাইলৈ অনুষ্ঠিত হ’ব। কাইলৈ সংকল্প প্ৰস্তাৱ আৰু আন কেইবাখনো বিধেয়ক উত্থাপনৰ সম্ভাৱনা আছে। আনহাতে পৰহিলৈ পৰিপূৰক মঞ্জুৰিৰ বাবে দাবীসমূহৰ ওপৰত আলোচনা আৰু ভোটদান হ’ব। উল্লেখযোগ্য যে যোৱা ২২ আগষ্টত বিধানসভাৰ শৰৎকালীন অধিৱেশন অনুষ্ঠিত হয়। অৱশ্যে এইকেইদিন বন্ধ থকাৰ পাছত পুনৰ কাইলৈৰ পৰা বিধানসভা অধিৱেশনৰ কাম-কাজ আৰম্ভ হ’ব। ৩০ আগষ্টলৈ এই অধিবেশন চলিব।

0000000

লেটিন আমেৰিকাৰ পাঁচখন ৰাষ্ট্ৰ ভ্ৰমণৰ পিছত বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই এইবাৰ কাইলৈ নতুন দিল্লীৰ পৰা দ্বীপ ৰাষ্ট্ৰ কিংডম অব্ টংগালৈ ৰাওনা হ'ব। এই ভ্ৰমণকালত সাংসদগৰাকীয়ে কেইবাখনো দ্বিপাক্ষিক বৈঠকত অংশগ্ৰহণ কৰাৰ উপৰি প্ৰশান্ত মহাসাগৰীয় দ্বীপ মঞ্চৰ সন্মিলনতো ভাষণ দিব। উল্লেখ্য যে ৫৩ সংখ্যক প্ৰশান্ত মহাসাগৰীয় দ্বীপ মঞ্চৰ সন্মিলনত প্ৰথমবাৰৰ বাবে ভাৰতৰ এগৰাকী কেন্দ্ৰীয় মন্ত্ৰীয়ে অংশগ্ৰহণ কৰিব। ২৯ আগষ্টলৈকে দেশখনত বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলগীয়া কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ ভ্ৰমণসূচী সন্দৰ্ভত ইতিমধ্যে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০০০

কেন্দ্ৰীয় অনুসন্ধান সংস্থা চি বি আয়ে কলকাতাৰ আৰ জি কৰ  চিকিৎসালয়ৰ বিত্তীয় অনিয়ম সন্দৰ্ভত অনুসন্ধান অব্যাহত ৰাখিছে। সংস্থাটোৱে চহৰখনৰ বিভিন্ন প্ৰান্তত এই সনন্দৰ্ভত অনুসন্ধান বাহাল ৰখাৰ লগতে আৰ জি কৰ চিকিৎসা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ সন্দীপ ঘোষ আৰু ফৰেন্সিক বিভাগৰ দেৱাশিষ সোমকে ধৰি কেইবাগৰাকীও লোকক জেৰা কৰি আছে। চি বি আয়ে এই সন্দৰ্ভত কালি ১৫টা স্থানত অনুসন্ধান চলায়।

ইপিনে পশ্চিমবংগৰ সকলো চৰকাৰী চিকিৎসা মহাবিদ্যালয় তথা চৰকাৰী চিকিৎসা প্ৰতিষ্ঠানত কনিষ্ঠ চিকিৎসকসকলে প্ৰতিবাদ অব্যাহত ৰাখিছে। পশ্চিমবংগ কনিষ্ঠ চিকিৎসক সংস্থাই আৰ জি কৰ চিকিৎসা মহাবিদ্যালয়ৰ ধৰ্ষণ আৰু হত্যাৰ ঘটনাৰ সঠিক অনুসন্ধান তথা অভিযুক্তৰ দৃষ্টান্তমূলক শাস্তিৰ দাবী কৰিছে।

০০০০০০০

ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগে তৃতীয় বৰ্গৰ পদৰ বাবে অসমৰ উচ্চতৰ মাধ্যমিক স্তৰৰ ৩ হাজাৰ ১২৭টা পদৰ লিখিত পৰীক্ষা  অহা ১৫ ছেপ্তেম্বৰত অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছে। পৰীক্ষাৰ্থীসকলে অহা ২ ছেপ্তেম্বৰৰ দিনৰ ১১ বজাৰ পৰা অসম মাধ্যমিক শিক্ষা পৰিষদৰ ৱেবছাইট www.site.sebaonline.org অথবা ৰাজ্য চৰকাৰৰ ৱেবছাইট www.assam.gov.in যোগে পৰীক্ষাৰ প্ৰৱেশ পত্ৰ ডাউনলোড কৰিব পাৰিব। লিখিত পৰীক্ষাৰ দিনা প্ৰাৰ্থীসকলে এই প্ৰৱেশ পত্ৰ প্ৰদৰ্শন কৰাৰ লগতে প্ৰৱেশ পত্ৰত সন্নিবিষ্ট নিৰ্দেশনাসমূহ মানি চলিবলৈ জাননীখনত উল্লেখ কৰা হৈছে। একেদৰে কোনো কাৰিকৰী সহায়ৰ বাবে প্ৰাৰ্থীসকলক 95823-90056 টোল ফ্ৰী নম্বৰত যোগাযোগ কৰিবলৈ কোৱা হৈছে।

০০০০০০০

এ আই ইউ ডি এফৰ সভাপতি বদৰুদ্দিন আজমলে সকলো সম্প্ৰদায়ৰ মাজত শান্তি-সম্প্ৰীতি আৰু ভাতৃত্ববোধ অটুট ৰাখিবলৈ ৰাজ্যবাসীলৈ আহ্বান জনাইছে। এ আই ইউ ডি এফৰ এটা সঁজাতি দলে আজি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক ৰাজ ভৱনত সাক্ষাৎ কৰি এই সন্দৰ্ভত এখন স্মাৰক পত্ৰ প্ৰদান কৰে। উজনি অসমৰ সংখ্যালঘু সম্প্ৰদায়ৰ এটা শ্ৰেণীৰ সুৰক্ষাৰ বাবে ৰাজ্যপালগৰাকীৰ তাৎক্ষণিক হস্তক্ষেপ বিচাৰি স্মাৰক পত্ৰ প্ৰদান কৰা হয়।

০০০০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি কাৰ্বি আংলঙৰ ডিফুত বিভাগটোৰ লগতে খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে দুয়োটা বিভাগত কাম-কাজৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰে। এই সভাত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ লগতে আন বহুকেইজন বিষয়ববীয়া উপস্থিত থাকে।

০০০০০০০

তিনিচুকীয়া জিলাৰ ডুমডুমা এফ আৰ ইউৰ সংলগ্ন ২০ খন বিছনাযুক্ত আছুতীয়া ভৱন আজি উদ্বোধন কৰা হয়। বিধায়ক ৰূপেশ গোৱালাই নৱনির্মিত এই ভৱনটো উদ্বোধন কৰে। এই ভৱনটোৰ জৰিয়তে বৃহত্তৰ ডুমডুমা অঞ্চলৰ ৰাইজ উপকৃত হ'ব বুলি বিধায়কগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০০০০

বি টি আৰৰ মুখ্য কার্যবাহী সদস্য প্ৰমোদ বড়োৱে আজি কোকৰাঝাৰ নগৰৰ হাব্রুবাৰীত অতিথিশালা আৰু এটা টাউন হলৰ আধাৰশিলা স্থাপন কৰে। আধুনিক প্ৰযুক্তিৰে নির্মাণ হ'বলগীয়া টাউন হলত প্ৰায় ৮০০ লোকে অংশগ্ৰহণ কৰিব পৰাৰ সুবিধা থাকিব। এই ভৱনটো নির্মাণ ব্যয় প্ৰায় ২৪ কোটি টকা ধাৰ্য কৰা হৈছে। আনহাতে, অতিথিশালাটোৰ নির্মাণ ব্যয় ২১ কোটি ৮৬ লাখ টকা ধাৰ্য কৰা হৈছে। আজিৰ অনুষ্ঠানত বি টি চিৰ কার্যবাহী সদস্য উইলচন হাছদা আৰু কোকৰাঝাৰ পৌৰসভাৰ অধ্যক্ষ প্ৰতিভা ব্ৰহ্ম উপস্থিত থাকে।

০০০০০০০

যোৰহাট জিলাত কৃষি বিষয়া কাৰ্যালয়ৰ এটা দলে আজি জিলাখনৰ বিভিন্ন অঞ্চলত চৰহা পোকে নষ্ট কৰা কৃষিভূমি পৰিদৰ্শন কৰে। কৃষি বিভাগৰ দলটোৰ তৰফৰ পৰা কৃষকৰ মাজত কীটনাশক ঔষধ বিতৰণ কৰাৰ লগতে সজাগতা বৃদ্ধিৰ উদ্দেশ্যে সংহত কীট নিয়ন্ত্ৰণ পদ্ধতি প্ৰচাৰ কৰা হয়। দলটোৱে খেতি অনিষ্ট হোৱা এলেকাত উপস্থিত হৈ কৃষকৰ পৰা ক্ষয়-ক্ষতিৰ বুজ লয় আৰু সকলো প্ৰকাৰে সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে।

০০০০০০০

প্ৰেছ ইনফৰমেশ্যন ব্যুৰো আৰু এইমছ গুৱাহাটীৰ উদ্যোগত আজি সাংবাদিকসকলৰ বাবে স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হয়। গুৱাহাটী প্ৰেছক্লাবত দিনৰ ১১ বজাৰ পৰা এই স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। স্বাস্থ্য শিবিৰত ভালেকেইগৰাকী চিকিৎসা বিশেষজ্ঞই সংবাদ মাধ্যমৰ সৈতে জড়িত লোকসকলৰ স্বাস্থ্য পৰীক্ষা কৰে। এই শিবিৰত চকু, দাঁত, ৰক্তচাপ, মধুমেহ আদি পৰীক্ষা কৰাৰ লগতে  প্ৰয়োজনীয় দৰৱ-পাতিও যোগান ধৰা হয়।

০০০০০০০

ভাৰতীয় স্বাধীনতা সংগ্ৰামৰ '৪২ৰ শ্বহীদ মৰিগাঁৱৰ হেমৰাম পাটৰ, তিলক ডেকা আৰু গুণাভিৰাম বৰুৱাৰ শ্বহীদ দিৱস আজি পালন কৰা হয়। মৰিগাঁও জিলাৰ বাৰপূজীয়াত অনুষ্ঠিত এই শ্বহীদ দিৱসৰ কাৰ্যসূচীত স্বাধীনতা সংগ্ৰামী তিনিগৰাকীৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। বিধায়ক ৰমাকান্ত দেউৰী আৰু শশীকান্ত দাসে শ্বহীদ তিনিগৰাকীৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰাৰ লগতে এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰে।

০০০০০০০

সমগ্ৰ দেশতে আজি শ্ৰীকৃষ্ণৰ জন্মাষ্টমী পালন কৰা হৈছে। এই উপলক্ষে ভক্তপ্ৰাণ ৰাইজে মন্দিৰত গৈ পূজা-অৰ্চনা কৰিছে। উত্তৰ প্ৰদেশৰ মথুৰা আৰু বৃন্দাবনত উলহ-মালহেৰে শ্ৰীকৃষ্ণৰ জন্মোৎসৱ আয়োজন কৰা হৈছে। শ্ৰীকৃষ্ণৰ জন্মস্থান মথুৰাৰ বাঁকে বিহাৰী মন্দিৰ, প্ৰেম মন্দিৰ, ইস্কন মন্দিৰ আৰু শ্ৰীকৃষ্ণ জনমভূমি মন্দিৰকে ধৰি হাজাৰ হাজাৰ মন্দিৰ এই উপলক্ষে সুন্দৰভাৱে সজাই তোলা হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে জন্মাষ্টমী উপলক্ষে দেশবাসী তথা প্ৰবাসী ভাৰতীয়সকললৈ শুভেচ্ছা জ্ঞাপন কৰে। এটা বাৰ্তাৰ জৰিয়তে ৰাষ্ট্ৰপতিয়ে কয় যে এই উৎসৱে আমাক ভগৱান শ্ৰীকৃষ্ণৰ ঐশ্বৰিক আদৰ্শৰ প্ৰতি নিজকে সমৰ্পিত কৰাৰ বাবে উৎসাহিত কৰে। শ্ৰীমতী মুৰ্মুৱে শ্ৰীমদ্ভাগৱৎ গীতাত থকা শ্ৰীকৃষ্ণ আৰু অৰ্জুনৰ কথোপকথনক সমগ্ৰ মানৱ জাতিৰ বাবে উত্তৰণ আৰু প্ৰেৰণাৰ শাশ্বত উৎস বুলি আখ্যা দিয়ে। তেওঁ শ্ৰীকৃষ্ণৰ আদৰ্শেৰে পৰিচালিত হোৱাৰ লগতে দেশৰ সমৃদ্ধি তথা প্ৰগতিৰ বাবে কাম কৰাৰ ক্ষেত্ৰত প্ৰতিশ্ৰুতিবদ্ধ হ'বলৈ সকলোৰে প্ৰতি আহ্বান জনায়।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে এই উপলক্ষে ৰাইজক শুভেচ্ছা জনায় তেওঁ কয় যে জন্মাষ্টমী হৈছে গভীৰ আধ্যাত্মিক তাৎপৰ্যৰ দিন। তেওঁ লগতে ভগৱান শ্ৰীকৃষ্ণৰ কালজয়ী শিক্ষাক সকলোৰে জীৱনত প্ৰতিফলিত কৰিবলৈ আৰু সমাজত ঐক্য শান্তি আৰু সম্প্ৰীতি গঢ়ি তুলিবলৈ আহ্বান জনায়। আনহাতে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰে।

০০০০০০০

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্যই জন্মাষ্টমী উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাজ্যপালগৰাকীয়ে কয় যে জন্মাষ্টমী হৈছে ধৰ্ম, কৰ্ম আৰু সত্যৰ প্ৰতিমূৰ্তি শ্ৰীকৃষ্ণৰ জন্মদিন উদ্‌যাপন কৰা এটা উপলক্ষ্য। ভগৱান শ্ৰীকৃষ্ণৰ পূজা-অৰ্চনাই মানৱ জাতিক সমৰ্পিত কৰাৰ বাবে অনুপ্ৰাণিত কৰে আৰু সত্য পথত আগবাঢ়ি যাবলৈ পথ দেখুৱায় বুলি ৰাজ্যপালগৰাকীয়ে মন্তব্য কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইও জন্মাষ্টমী উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰে। শ্ৰীকৃষ্ণৰ কৃপা দৃষ্টিয়ে সকলোৰে জীৱনলৈ সুখ আৰু শান্তিৰ বতৰা কঢ়িয়াই আনিব বুলি তেওঁ প্ৰকাশ কৰে।

ইপিনে, ৰাজ্যৰ প্ৰতিটো প্ৰান্ততে জন্মাষ্টমী উলহ-মালহেৰে পালন কৰা পৰিলক্ষিত হৈছে। সত্ৰপীঠ মাজুলীত পুৱাৰ পৰাই নাম-প্ৰসংগ, নৃত্য-গীত আদি পৰিৱেশন কৰা হয়। মাজুলীৰ ৩৫ খন সত্ৰ আৰু ৩ শতাধিক নামঘৰত উলহ-মালহেৰে জন্মাষ্টমী পালন কৰা হয়। জন্মাষ্টমী উপলক্ষে মাজুলীৰ কেইবাখনো শিক্ষানুষ্ঠানত কৃষ্ণ নৃত্য, দিহা নাম আদি বিভিন্ন কাৰ্যসূচী আয়োজিত হয়। বৰপেটা জিলাৰ সৰভোগৰ গৰখীয়া গোসাঁই থানৰ লগতে বৰপেটা সত্ৰ, সুন্দৰীদিয়া সত্ৰ আৰু পাটবাউসী সত্ৰত সত্ৰীয়া ৰীতি-নীতিৰে জন্মাষ্টমী পালন কৰা হয়। বৰপেটা সত্ৰত কৃষ্ণৰ জন্ম আৰু শিশু কৃষ্ণৰ লীলা পৰিৱেশন কৰা হয়। সৰভোগৰ গৰখীয়া গোসাঁই থানত আজি হাজাৰ হাজাৰ ভক্তৰ সমাগম হয়। শোণিতপুৰ জিলাৰ ঢেকীয়াজুলিত বিশ্ব হিন্দু পৰিষদৰ উদ্যোগত শ্ৰী কৃষ্ণৰ জন্মাষ্টমী পালন কৰা হয়। ধুবুৰী জিলাতো জন্মাষ্টমীৰ ব্যাপক আয়োজন কৰা পৰিলক্ষিত হৈছে। জিলাখনৰ ৰামৰাইকুটি, জিনকাটা সত্ৰৰ লগতে নামঘৰসমূহত জন্মাষ্টমী পালন কৰা হৈছে। পশ্চিমবংগৰ মধুপুৰ সত্ৰতো জন্মাষ্টমী উপলক্ষে দিনজোৰা কাৰ্যসূচীৰে নাম-প্ৰসংগ, নৃত্য-গীত আদি পৰিৱেশন কৰা হয়। ধেমাজিৰ কাছাৰী ময়দানত জন্মাষ্টমী উপলক্ষে দুই সহস্ৰাধিক শিশুৱে গায়ন-বায়ন, দিহা নাম, ভোৰতাল নৃত্য, কৃষ্ণ নৃত্য আদি পৰিৱেশন কৰে। উত্তৰ-পূব শিশু বিকাশ কেন্দ্ৰ, উত্তৰ-পূৰ্বাঞ্চল লোক কল্যাণ সমিতি আৰু বিশ্ব হিন্দু পৰিষদৰ যৌথ উদ্যোগত আয়োজিত জন্মাষ্টমীৰ এই কাৰ্যসূচীত অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু বিধায়ক ভূৱন পেগু উপস্থিত থাকে।

বিশ্ব হিন্দু পৰিষদৰ নলবাৰী জিলাৰ উদ্যোগত নলবাৰীৰ হৰি মন্দিৰত আয়োজন কৰা জন্মাষ্টমী উৎসৱত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই অংশগ্ৰহণ কৰি ধৰ্মধবজা উত্তোলন কৰে। মন্ত্ৰীগৰাকীয়ে লগতে ধৰ্মীয় শোভাযাত্ৰাতো অংশগ্ৰহণ কৰে। আনহাতে, নলবাৰী জিলাৰ উলাবৰীৰ পাগলাদিয়া নৈত জন্মাষ্টমী উপলক্ষে পৰম্পৰাগত নাওখেল প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিভিন্ন প্ৰান্তৰ ১০ খন নাৱে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে।

কামৰূপ জিলাৰ উত্তৰ গুৱাহাটীত অৱস্থিত দৌল গোবিন্দ মন্দিৰতো উলহ-মালহেৰে জন্মাষ্টমী পালন কৰা হয়। জন্মাষ্টমী উপলক্ষে দৌল গোবিন্দ মন্দিৰত বিভিন্ন প্ৰান্তৰ ভক্তপ্ৰাণ ৰাইজে পূজা-অৰ্চনা কৰে। কামৰূপ জিলাৰ বাইহাটা চাৰিআলিত বিশ্ব হিন্দু পৰিষদ আৰু বজৰংগ দলৰ বিহদিয়া প্ৰখণ্ডৰ উদ্যোগত জন্মাষ্টমী পালন কৰা হয়। এই উপলক্ষে দলৰ কাৰ্যকৰ্তাসকলে মটৰ চাইকেল সমদলত অংশগ্ৰহণ কৰে। গুৱাহাটী মহানগৰীৰ ইস্কন মন্দিৰতো বিভিন্ন কাৰ্যসূচীৰে জন্মাষ্টমী পালন কৰা হৈছে। নগাঁও জিলাৰ বটদ্ৰৱা থান আৰু যোৰহাটৰ টীয়কত অৱস্থিত ঢেকীয়াখোৱা বৰনামঘৰ, মইনাপৰীয়া বৰনামঘৰতো জন্মাষ্টমী পালন কৰা হৈছে। জন্মাষ্টমী উপলক্ষে বটদ্ৰৱা থান আৰু ঢেকীয়াখোৱা বৰনামঘৰত আইমাতৃসকলে নাম-প্ৰসংগ পৰিৱেশন কৰে। কৰিমগঞ্জ জিলাৰ বিভিন্ন প্ৰান্ততো ধৰ্মীয় ৰীতি-নীতিৰে শ্ৰীকৃষ্ণৰ জন্মাষ্টমী পালন কৰা হৈছে।

ভক্তসকলে বিভিন্ন মন্দিৰলৈ গৈ পূজা-অৰ্চনা কৰা পৰিলক্ষিত হৈছে। জন্মাষ্টমী উপলক্ষে কৰিমগঞ্জৰ ইস্কন মন্দিৰ সজাই-পৰাই তোলা হৈছে।

০০০০০০০

মাজুলীৰ গড়মূৰ বংশীগোপাল নাট্য মন্দিৰৰ ১০৫ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰা হয়। প্ৰতিষ্ঠা দিৱস উপলক্ষে পুৱা পৰিৱেশ নিকাকৰণ, গছপুলি ৰোপণ, নাট্য মন্দিৰৰ পতাকা উত্তোলনৰ লগতে প্ৰতিষ্ঠাপক সত্ৰাধিকাৰ পীতাম্বৰ দেৱগোস্বামীৰ প্ৰতিচ্ছৱিত মাল্যৰ্পণ কৰা হয়। ইয়াৰ লগতে জিলা ভিত্তিক চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। অনুষ্ঠানত কেইবাটাও মহিলা দলে দিহা নাম পৰিৱেশন কৰে। নিশালৈ গড়মূৰ সত্ৰৰ যুৱতী সমাজে এখন নাট পৰিৱেশন কৰিব।

০০০০০০০

ভাৰতীয় জনতা পাৰ্টীয়ে দলটোৰ সাংগঠনিক ভেটি অধিক সুদৃঢ় কৰাৰ উদ্দেশ্যে অহা পহিলা ছেপ্তেম্বৰত আৰম্ভ কৰিবলগীয়া সদস্যতা অভিযান ২০২৪ৰ সৈতে সংগতি ৰাখি আজি নলবাৰীত এখন কৰ্মশালা অনুষ্ঠিত হয়। দক্ষতা বিকাশ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা এই কৰ্মশালাত উপস্থিত থাকি অভিযান সন্দৰ্ভত আলোচনা কৰে আৰু দিহা-পৰামৰ্শ আগবঢ়ায়। মন্ত্ৰীগৰাকীয়ে কাৰ্যকৰ্তাসকলক সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি দলীয় ভেটি সুদৃঢ় কৰাত সহযোগ কৰিবলৈ আহ্বান জনায়।

০০০০০০০

শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে আজি ধেমাজি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উপস্থিত হৈ এখন বিশেষ বৈঠকত মিলিত হয়। বিদ্যালয়খনৰ মহাৰজত জয়ন্তী উদযাপন সমিতিৰ কাৰ্যলয় মুকলি কৰি তেওঁ সন্তুষ্টি প্ৰকাশ কৰে। ১৯৪৯ চনত স্থাপিত বিদ্যালয়খনৰ মহাৰজত জয়ন্তী উদযাপন সমাৰোহ অহা ৩১ অক্টোবৰত আৰম্ভ হ'ব। মন্ত্ৰীগৰাকীয়ে সংশ্লিষ্ট সমিতিৰ সৈতে কাৰ্যবাহী বৈঠকত মিলিত হৈ এই সমাৰোহ সাফল্যমণ্ডিত কৰি তোলা সন্দৰ্ভত আলোচনা কৰে।

০০০০০০০

অসম ভাৰোত্তোলন সন্থাৰ তত্তাৱধানত ডিব্ৰুগড়ত ২৯ আগষ্টৰ পৰা ১ ছেপ্তেম্বৰলৈ ৫২ সংখ্যক ৰাজ্যিক আন্তঃজিলা ভাৰোত্তোলন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ১৭ বছৰ অনুৰ্ধৰ যুৱ, ২০ বছৰ জুনিয়ৰ আৰু ছিনিয়ৰ শাখাত অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাৰ খেলসমূহ  পুৰুষ আৰু মহিলাৰ উভয়ৰ বাবে মুকলি থাকিব। উল্লেখযোগ্য যে এই প্ৰতিযোগিতাৰ পৰাই ৬ৰ পৰা ১৩ অক্টোবৰলৈ হিমাচল প্ৰদেশত অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় ভাৰোত্তোলন চেম্পিয়নশ্বিপৰ বাবে অসম দলটো নিৰ্বাচন কৰা হ'ব।

০০০০০০০

পেৰিছত পৰহিৰে পৰা পেৰালিম্পিক ক্ৰীড়া সমাৰোহ অনুষ্ঠিত হ'ব। ১১ দিনীয়া এই প্ৰতিযোগিতাখন অহা ৮ ছেপ্তেম্বৰত সামৰণি পৰিব। এইবাৰ প্ৰতিযোগিতাত ভাৰতৰ ৮৪ জনীয়া দলে ভাগ ল'ব। ক্ৰীড়া মন্ত্ৰী ড° মনসুখ মন্দাভিয়াই সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত দেশবাসীক পেৰালিম্পিকত অংশগ্ৰহণ কৰা ভাৰতীয় খেলুৱৈসকলক CHEER 4 BHARAT শ্লʼগানেৰে উৎসাহিত কৰাৰ বাবে আহ্বান জনাইছে।

০০০০০০০

**সমাপ্ত**